**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি আজিৰে পৰা কাৰ্যকৰী হৈছে।

২। স্পেইন ভ্ৰমণ সামৰি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল কালি বেলজিয়ামৰ ৰাজধানী ব্ৰাচেলছত উপস্থিত হয়।

৩। অসমৰ সাম্প্ৰতিক বানত ৬ খন জিলাৰ ৩৭ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে।

৪। পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ ৰাৱলাকোটত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে, পাকিস্তানী সেনাই চলোৱা নৃশংস আক্ৰমণ আৰু দমনমূলক ঘটনাক গৰিহণা দিছে। ***আৰু***

৫। স্পেইনে চলিত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথম দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰত আৰু বৃটেইনৰ মাজৰ সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি আজিৰে পৰা বলবৎ হৈছে। একে সময়তে ডাবল কনট্ৰিবিউচন কনভেনচন হিচাপে উল্লেখ কৰা সামাজিক সুৰক্ষা বিষয়ক চুক্তিখনো কাৰ্যকৰী হৈছে। ই বৃটেইনত ভাৰতীয় পেছাদাৰীসকলৰ গতিশীলতা আৰু প্ৰতিযোগিতামূলক ক্ষমতাক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। এই ঐতিহাসিক চুক্তিৰ জৰিয়তে ভাৰতীয় ৰপ্তানিয়ে ব্ৰিটেইনৰ বজাৰত ৯৯ শতাংশ শুল্ক ক্ষেত্ৰত শূন্য শুল্ক প্ৰৱেশৰ সুবিধা লাভ কৰিলে। এই চুক্তিয়ে উভয় দেশৰ কৌশলগত সহযোগিতা ত্বৰান্বিত কৰাৰ লগতে দুয়ো দেশৰ জনসাধাৰণৰ সমৃদ্ধিৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ভাৰতৰ বাণিজ্য সচিব ৰাজেশ আগৰৱালাই এই চুক্তিক ভাৰতৰ বাণিজ্য যাত্ৰাৰ মাইলৰ খুঁটি বুলি অভিহিত কৰি কয় যে ই দুখন বৃহৎ অৰ্থনীতিৰ দেশৰ মাজত ভৱিষ্যতমুখী অৰ্থনৈতিক সহযোগিতাৰ সূচনা কৰিলে। তেওঁ কয় যে এই চুক্তিয়ে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্কৰ এক নতুন অধ্যায়ৰ পাতনি মেলিলে। চুক্তিখনক ভাৰতৰ সৰ্বাত্মক চুক্তিসমূহৰ ভিতৰত অন্যতম বুলি উল্লেখ কৰি সচিবগৰাকীয়ে ইয়াৰ ফলত বাণিজ্যিক চুক্তি আৰু শুল্কৰ সৈতে জড়িত বিভিন্ন বাধা হ্ৰাস পাব বুলি প্ৰকাশ কৰে। ইপিনে, ডাবল কনট্ৰিবিউচন কনভেনচন হিচাপে সততে উল্লেখ কৰা সামাজিক সুৰক্ষা বিষয়ক চুক্তিত আলোকপাত কৰি তেওঁ কয় যে এই ব্যৱস্থাই ভাৰতীয় পেছাদাৰী আৰু তেওঁলোকৰ নিয়োগকৰ্তাসকলক উপকৃত কৰিব আৰু ব্ৰিটেইনত অস্থায়ী নিযুক্তিত থকা যোগ্য শ্ৰমিকসকলক নিৰ্দিষ্ট সময়ৰ বাবে সামাজিক সুৰক্ষাৰ বৰঙণি প্ৰদানৰ পৰা ৰেহাই দিব। সংহত, সুস্থিৰ আৰু প্ৰতিযোগিতামূলক

অৰ্থনীতিৰ দিশত এই দুয়োখন চুক্তিৰ ৰূপায়ণ ভাৰতৰ এক বৃহৎ গোলকীয় পদক্ষেপ হিচাপে চিহ্নিত হৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

স্পেইন ভ্ৰমণ সামৰি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল কালি বেলজিয়ামৰ ৰাজধানী ব্ৰাচেলছত উপস্থিত হয়। ভাৰত-ইউৰোপীয় অংশীদাৰিত্ব শক্তিশালী কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে এটা উচ্চ পৰ্যায়ৰ ভাৰতীয় ব্যৱসায়িক প্ৰতিনিধিৰ দলো গৈছে আৰু এই দলটোৱে বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, উদ্ভাৱন আৰু বহনক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। শ্ৰীগোৱেলে বেলজিয়ামৰ উপ-প্ৰধানমন্ত্ৰী তথা কৃষি অৰ্থনীতি আৰু নিয়োগ দপ্তৰৰ মন্ত্ৰী ডেভিদ ক্লেৰিনভেলক সাক্ষাৎ কৰি ভাৰত-বেলজিয়ামৰ বিভিন্ন ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিৰ ৰূপান্তৰমুখী সম্ভাৱনা সন্দৰ্ভত মত বিনিময় কৰে আৰু ব্যৱসায়িক উন্নয়ন তথা দুয়ো দেশৰ জনসাধাৰণৰ কল্যাণৰ অৰ্থে পাৰস্পৰিক অৰ্থনৈতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ ওপৰত উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীগোৱেলে লগতে জলবায়ু, শূন্য কাৰ্বন নিগমন আৰু স্বচ্ছ বিকাশ দপ্তৰৰ ইউৰোপীয় কমিছনাৰ ওপকে হোকষ্ট্ৰাক সাক্ষাৎ কৰি জলবায়ু সম্পৰ্কীয় কাৰ্যসূচী, বহনক্ষম ঔদ্যোগিক বিকাশ আৰু স্বচ্ছ উন্নয়নৰ ক্ষেত্ৰত ভাৰত-ইউৰোপীয় সহযোগিতাৰ দিশসমূহ সন্দৰ্ভত মত বিনিময় কৰে। দুয়োগৰাকী নেতাই নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰ'জেন, স্বচ্ছ প্ৰযুক্তি, উদ্ভাৱন, বিনিয়োগ আৰু স্থিতিস্থাপক মূল্য শৃংখলাৰ দ্বাৰা শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰে। শ্ৰীগোৱেলে ইউৰোপৰ কৃষি আৰু খাদ্যৰ কমিছনাৰ ক্ৰিষ্ট'ফে হানছেনক ব্ৰাচেলছত সাক্ষাৎ কৰে। তেওঁলোকে কৃষি আৰু খাদ্য, মূল্য শৃংখলা, খাদ্য সুৰক্ষা বৃদ্ধি, কৃষকক সমৰ্থনৰ জৰিয়তে বহনক্ষম বিকাশ আৰু ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিৰ সফল সমাপ্তিৰ বাবে কৃষি সম্পৰ্কীয় অংশীদাৰিত্ব শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ আগেয়ে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীগৰাকীয়ে বেলজিয়ামৰ ৰাজহুৱা পৰিক্ৰমা সঞ্চালক ব্ৰুন' লেটে আৰু পৰিচালন সঞ্চালক থমাছ কলিনেটক সাক্ষাৎ কৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে।

০০০০০

অসমৰ বান পৰিস্থিতি আজিও জটিল হৈ আছে। সাম্প্ৰতিক বানত ৬ খন জিলাৰ ৩৭ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ শেহতীয়া তথ্য অনুসৰি সম্প্ৰতি ১২টা ৰাজহ চক্ৰৰ ৯৯ খন গাঁৱৰ ৩৭ হাজাৰ ৩২ জন লোক বানত ক্ষতিগ্ৰস্ত হৈছে। কালি শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ এলেকাত এজন লোকে বাঢ়নী পানীত বুৰ গৈ প্ৰাণ হেৰুৱাৰ ফলত শেহতীয়া বানত প্ৰাণ হেৰুৱা লোকৰ সংখ্যা ৪ লৈ বৃদ্ধি হৈছে। লখিমপুৰ জিলাত সৰ্বাধিক ৩৫ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। শোণিতপুৰ ধেমাজি, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। ক্ষতিগ্ৰস্ত জিলাকেইখনত এহেজাৰ হেক্টৰৰো অধিক কৃষিভূমি বাঢ়নী পানীয়ে বুৰাই পেলাইছে। ইতিমধ্যে বান ক্ষতিগ্ৰস্ত জিলাকেইখনত প্ৰশাসনে সাহায্য আৰু উদ্ধাৰ অভিযান তীব্ৰ কৰি তুলিছে। ২৪টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰি অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰি থকা হৈছে বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ ৰাৱলাকোটৰ ঈদগাহ ময়দানত কালি ইউফৰ্ম পৰিহিত শতাধিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক আৰু অভিভাৱকৰ সৈতে সমবেত হৈ দখলীকৃত ভূখণ্ডত পাকিস্তানী সেনাই চলোৱা নৃশংস আক্ৰমণ আৰু দমনমূলক ঘটনাক গৰিহণা দিয়ে। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলে শান্তিৰ প্ৰতীক হিচাপে বগা পতাকা উৰুওৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমে আমাক প্ৰচাৰ দিয়ক বুলি লিখা বেনাৰ লৈ পাকিস্তানী সেনাৰ বিৰুদ্ধে শ্ল’গান দিয়ে। পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰত অব্যাহত থকা এই প্ৰতিবাদী কাৰ্যকলাপসমূহ অঞ্চলটোত ইছলামাবাদৰ দীৰ্ঘদিনীয়া নিয়ন্ত্ৰণৰ বিৰুদ্ধে প্ৰত্যাহ্বান স্বৰূপে দেখা দিছে। উল্লেখযোগ্য যে অঞ্চলটোত পাকিস্তানী সেনাই চলোৱা নৃশংস অভিযানত বহু সাধাৰণ লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক গুৰুতৰভাৱে আহত হৈছে। সমগ্ৰ অঞ্চলটোত কঠোৰ অৱৰোধ আৰু সান্ধ্য আইন জাৰি কৰাৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈ আছে। ইপিনে ইউনাইটেড কাশ্মীৰ পিপল্‌ছ নেচনেল পাৰ্টিয়ে পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতা, সাংবাদিক আৰু নাগৰিক সমাজৰ প্ৰতিনিধি একত্ৰিতকৰণৰ দ্বাৰা এখন সন্মিলনৰ আয়োজন কৰি মানৱ অধিকাৰ উলংঘা আৰু নৃশংস আতিশয্যৰ ঘটনাৰ সন্দৰ্ভত আলোচনা কৰিছে।

ooooo

ভাৰতে আজিৰ পৰা হায়দৰাবাদত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ আয়োজন কৰিছে। সুস্থিৰতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ হকে নিৰ্মাণ বিষয়ক অধ্যক্ষতাৰ মূল বিষয় হিচাপে লৈ ভাৰতে এই দুদিনীয়া বৈঠকত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰী তথা উচ্চপদস্থ বিষয়াসকলক একত্ৰিত কৰিব। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই বৈঠকত সভাপতিত্ব কৰিব। বৈঠকত সামাজিক সুৰক্ষা, শ্ৰম বজাৰৰ আনুষ্ঠানিকীকৰণ, কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ আৰু অন্তৰ্ভুক্তি বৃদ্ধি- এই চাৰিটা বিষয়ত মন্ত্ৰীসকলে অগ্ৰাধিকাৰভিত্তিক আলোচনাত ভাগ ল'ব। এই বৈঠকত নিয়োগ কাৰ্য্যগোটে প্ৰস্তুত কৰা ঘোষণাৰ খচৰা আলোচনা কৰি তাত অনুমোদন জনোৱা হ'ব। শ্ৰম বজাৰ নীতি, শ্ৰমিক কল্যাণ, দক্ষতা বিকাশ আৰু সৰ্বাংগীন নিয়োগৰ ক্ষেত্ৰত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠী দেশসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰা আৰু একে সময়তে পৰিৱৰ্তিত কৰ্ম জগতত সুস্থিৰতা আৰু বহনক্ষম বৃদ্ধিৰ প্ৰসাৰৰ লক্ষ্যৰে এই ঘোষণা প্ৰস্তুত কৰা হৈছে।

ooooo

স্পেইনে চলিত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সক ২-০ গ’লত পৰাস্ত কৰে। স্পেইনৰ হৈ মাইকেল অয়াৰজাবালে খেলখনৰ ২২ মিনিটত প্ৰথমটো আৰু পেড্ৰ’ প’ৰ’ৰে ৫৮ মিনিটত দ্বিতীয়টো গ’ল দি বিজয় নিশ্চিত কৰে। প্ৰথমটো বিশ্বকাপ ট্ৰফী জয় কৰাৰ সুদীৰ্ঘ ১৬ বছৰৰ বিৰতিৰ মূৰত এইবেলি "লা ৰ'জা" হিচাপে বিখ্যাত স্পেইনৰ দলটো ফাইনেলত উপনীত হৈছে। দলটো অহা দেওবাৰে নিশা নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত আৰ্জেণ্টিনা বা ইংলেণ্ডৰ মুখামুখি হ'ব।

প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল আজি নিশা আটলাণ্টা ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখনত বিগত সংস্কৰণৰ বিজয়ী আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বৃহস্পতিবাৰে নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতে যোৱানিশা বাৰ্মিংহামৰ এজবাষ্টনত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ঘৰুৱা দলটোৱে ৪৮ সংখ্যক অভাৰত ২৫৮ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। ইংলেণ্ডৰ জ' ৰুটে সৰ্বাধিক ৭৬ ৰান সংগ্ৰহ কৰি আউট নোহোৱাকৈ থকাৰ বিপৰীতে লিয়াম ডাউছনে ৬৮ ৰাণৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ অক্ষৰ পেটেলে ৪টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটোৱে ৪৬ সংখ্যক অভাৰত ৪ উইকেটৰ বিনিময়ত সহজে বিজয় লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ অধিনায়ক শুভমন গিলে ৮০ ৰান সংগ্ৰহ কৰে। ৱাশ্বিংটন সুন্দৰ আৰু অক্ষৰ পেটেলও অৰ্ধশতকীয় ইনিংছ খেলি আউট নোহোৱাকৈ থাকে। বেটে-বলে আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে অক্ষৰ পেটেলে প্লেয়াৰ অৱ দ্য মেচৰ সন্মান লাভ কৰে। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ কাৰ্ডিফৰ ছফিয়া গাৰ্ডেনছত খেলোৱা হ'ব। দেওবাৰে লণ্ডনৰ লৰ্ডছ খেলপথাৰত শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ’ব।

ooooo

সমাপ্ত